# অসম জাতীয় বিদ্যালয়
**Assam Jatiya Bidyalay**

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/১২/২২-২৩
*Ref :*

তাৰিখ : ২০-০৮-২০২২
*Date :*

## সময় আৰু সুযোগৰ সৰ্বোৎকৃষ্ট ব্যৱহাৰ কৰাই ছাত্ৰ জীৱনৰ মূল কৰণীয় : অনুপম শইকীয়া
## অসম জাতীয় বিদ্যালয়ত ৰাজ্যিকভিত্তিত বিজ্ঞান প্ৰদৰ্শনী-প্ৰতিযোগিতা

**নুনমাটি, গুৱাহাটী, ২০ আগষ্ট ঃ** “সময় আৰু সুযোগৰ সৰ্বোৎকৃষ্ট ব্যৱহাৰ কৰাই ছাত্ৰ জীৱনৰ মূল কৰণীয়।” এই মন্তব্য আই আই টি গুৱাহাটীৰ গণিত বিভাগৰ অধ্যাপক, অসমৰ ৰেংলাৰ অনুপম শইকীয়াৰ। আজি অসম জাতীয় বিদ্যালয়ত আয়োজিত ৰাজ্যিক পৰ্য্যায়ৰ বিজ্ঞান প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি তেওঁ কয় যে নিজৰ অধ্যয়নৰ বিষয়টোৰ প্ৰতি অনুৰাগ আৰু বিষয়টোৰ গভীৰতালৈ সোমোৱাৰ প্ৰচেষ্টাইহে ছাত্ৰসকলক ভৱিষ্যতে সফল হোৱাত সহায় কৰিব। শিক্ষা সম্পৰ্কীয় সা-সুবিধাৰ প্ৰতি চকু-কাণ সজাগ ৰাখি নিজকে নিৰন্তৰ উত্তৰণৰ পথত ধাৱমান কৰিবলৈকো তেওঁ শিক্ষাৰ্থীসকলক আহ্বান জনায়। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস (২৮ ফেব্ৰুৱাৰী) উদ্‌যাপনৰ অংশ হিচাপে বিগত বৰ্ষবোৰৰ দৰে এই বছৰো অষ্টম, নৱম, দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত সদৌ অসমভিত্তিত আৰু অসম জাতীয় বিদ্যালয়ৰ পঞ্চমৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত আজি বিজ্ঞানৰ আৰ্হি, পৰীক্ষা আৰু প্ৰকল্প শিতানত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অসম জাতীয় বিদ্যালয়ৰ উপৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ১৪ খন বিদ্যালয়ৰ ১০৯ গৰাকী শিক্ষাৰ্থীয়ে আজিৰ এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। ৰাজ্যিকভিত্তিত অনুষ্ঠিত আজিৰ এই প্ৰতিযোগিতাৰ বিজ্ঞান আৰ্হি শিতানত প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়ৰ এলভিছ মস্তান শইকীয়া, ৰায়হান ফিৰদৌচ আৰু ঋতুৰাজ কৌশিকে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে নুনমাটি পাব্লিক স্কুলৰ ৰেহান আনছাৰী, অগস্ত্য আৰ অঞ্জন আৰু মাজুলী শইকীয়াই। তৃতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়ৰ কুণাল ভট্টাচাৰ্য্য, অনচিত শৰ্মা আৰু মৃন্ময় নাথে। বিজ্ঞান প্ৰকল্প শিতানত প্ৰথম পুৰস্কাৰ লাভ কৰে অম্বিকাগিৰী ৰায়চৌধুৰী জাতীয় বিদ্যালয়ৰ ৰবিজিতা শইকীয়া, জ্যোতিষ প্ৰিয়ম বৰা আৰু যুগান্তৰ নেওগে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে পশ্চিম গুৱাহাটী জাতীয় বিদ্যালয়ৰ পূজা কলিতা আৰু ৰশ্মি গুপ্তাই। তৃতীয় পুৰস্কাৰ লাভ কৰে শংকৰদেৱ জাতীয় বিদ্যালয়, মহগুৰিৰ আদিত্য বৰদলৈ, নীলপৱন দেউৰীয়ে। আনহাতে বিজ্ঞান পৰীক্ষা শিতানত অম্বিকাগিৰী ৰায়চৌধুৰী জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী অংশুমান ৰাজখোৱা, বাপিছ কমল দলৈ আৰু ভাৰ্গৱ বৰাই প্ৰথম পুৰস্কাৰ লাভ কৰাৰ লগতে দ্বিতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়ৰ জিয়া ভাৰ্গৱ, বৰষা ৰাণী কলিতা আৰু অন্বেষা মেধিয়ে আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে মাৰিয়া পাব্লিক স্কুলৰ খাতিয়া হুছেইন আৰু নন্দিনী দাসে। এই প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত আছিল নলবাৰীৰ মিলন হায়াৰ ছেকেণ্ডাৰী স্কুলৰ সহকাৰী শিক্ষয়িত্ৰী কাবেৰী বৰঠাকুৰ, গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ শিক্ষক নজৰুল ইছলাম আৰু ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ নলবাৰী শাখাৰ শৈক্ষিক সমন্বয়ক চন্দামিতা শৰ্মা। আজিৰ এই অনুষ্ঠানতে বিদ্যালয়ৰ বিজ্ঞান বিষয়ৰ বছৰেকীয়া আলোচনী ‘প্ৰভাত’ উন্মোচন কৰে মুখ্য অতিথি অনুপম শইকীয়াই। অনুষ্ঠানৰ অন্তত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে শিক্ষাৰ্থীসকলক উদ্দেশ্যি দিয়া ভাষণত শিক্ষাৰ্থীসকলৰ আগ্ৰহ আৰু সঁহাৰিয়ে প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰে বুলি মন্তব্য আগবঢ়ায়। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰাজিতা দত্ত, বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী উদয়া ফুকন, অসমীয়া আৰু ইংৰাজী বিভাগৰ শিক্ষক ক্ৰমে ভাস্কৰজ্যোতি হালৈ আৰু জয়ন্ত ডেকাই। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী কল্যাণী পাটগিৰিয়ে। সমগ্ৰ অনুষ্ঠানটোৰ আহ্বায়কৰ দায়িত্বত আছিল বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী চেহনাজ আখতাৰ আহমেদ।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়